# 2014

# ASSAMESE

## ( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ১×১০=১০

(ক) অসমীয়া গদ্য-সাহিত্যৰ জনক ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি?

(খ) 'কথা-গুৰুচৰিত' প্ৰথমে কোনে সংকলিত কৰিছিল?

(গ) বুৰঞ্জী সাহিত্যৰ সময় কেতিয়া আৰম্ভ হৈছিল?

(ঘ) চৰিত-সাহিত্যত কাৰ জীৱনৰ কথা বৰ্ণনা কৰা হৈছে?

(ঙ) 'বুৰঞ্জী বিবেক ৰত্ন' কাৰ ৰচনা?

(চ) কোন চনত ইংৰাজসকলে অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষাক স্কুল-কাছাৰী আদিত প্ৰতিষ্ঠা কৰিছিল?

(ছ) 'ফুলমণি আৰু কৰুণা' কোনে ৰচনা কৰিছিল?

(জ) প্ৰথম অসমীয়া সামাজিক নাটকখনৰ নাম কি আছিল?

(ঝ) দেৱকান্ত বৰুৱাই কবিতাত কি আৰ্হি ব্যৱহাৰ কৰিছিল ?

(ঞ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা-পুথিখনৰ নাম লিখা।

(ট) 'মৃগাৱতী চৰিত' কাৰ ৰচনা ?

(ঠ) 'কানীয়াৰ কীৰ্ত্তন' কোনে ৰচনা কৰিছিল ?

(ড) যতীন্দ্ৰনাথ দুৱৰাই কোনখন পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(ঢ) বেজবৰুৱাৰ এখন গল্পপুথিৰ নাম লিখা।

(ণ) ৰজনীকান্ত বৰদলৈৰ সামাজিক উপন্যাসখনৰ নাম কি ?

২। যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ২×৫=১০

(ক) শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) 'কথা-ৰামায়ণ' কাৰ ৰচনা ? পুথিখন কিহত ৰচনা কৰা ?

(গ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি ? বুৰঞ্জীসমূহক কেইটা শাখাত ভগাব পাৰি ?

(ঘ) সুকুমাৰ বৰকাথে ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(ঙ) যদুৰাম ডেকাবৰুৱাই লিখা অভিধানখনৰ নাম কি ? এইখন তেওঁ কাৰ হাতত অৰ্পণ কৰে ?

(চ) নাথান ব্ৰাউনে অসমীয়া ভাষালৈ অনুবাদ কৰা পুথিখনৰ নাম কি ? এইখন মূলতে কোনে ৰচনা কৰিছিল ?





(ছ) গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

(জ) ৰজনীকান্ত বৰদলৈৰ দুখন উপন্যাসৰ নাম লিখা।

(ঝ) ৰমন্যাসবাদৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) শঙ্কৰোত্তৰ যুগৰ সাহিত্য সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পৰ্কে চমু টোকা লিখা।

(গ) হেমচন্দ্ৰ বৰুৱা সম্পৰ্কে এটা টোকা লিখা।

(ঘ) ভট্টদেৱৰ গদ্য সম্পৰ্কে এটা চমু আলোচনা আগবঢ়োৱা।

(ঙ) অসমীয়া ৰোমান্টিক যুগৰ গল্প সম্পৰ্কে চমু টোকা লিখা।

(চ) অসমীয়া বুৰঞ্জী সাহিত্য সম্পৰ্কে এটা চমু আলোচনা আগবঢ়োৱা।

৪। শঙ্কৰোত্তৰ যুগৰ নাট্য-সাহিত্য সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

অসমীয়া চৰিত-সাহিত্য সম্পৰ্কে আলোচনা কৰা।

৫। অসমীয়া সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

'অৰুণোদই' আলোচনীয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা।

৬। অসমীয়া সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

অথবা

অসমীয়া ৰোমান্টিক কবিতা সম্পৰ্কে আলোচনা কৰা।

৭। জোনাকী যুগৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়োৱা। ১০

অথবা

'আৱাহন যুগ'ৰ অসমীয়া গল্প-সাহিত্য সম্পৰ্কে আলোচনা কৰা।

★★★